জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪৮/২০২১

<u>ভিডিঅ' কনফাৰেন্সযোগে ৰাজ্যৰ শেহতীয়া ক'ভিড পৰিস্থিতি পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

# নগৰাঞ্চলৰ পৰা গ্ৰামাঞ্চললৈ ক'ভিডৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে সামূহিক নিৰীক্ষণ ব্যৱস্থা এটা গঢ়ি তোলাৰ বাবে জিলা উপায়ুক্তসকলক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২৩ মে' ঃ** ক'ভিড-১৯ ৰ ৰোগীৰ সংখ্যা বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত নগৰাঞ্চলৰ পৰা যাতে গ্ৰামাঞ্চললৈ ক'ভিডৰ সংক্ৰমণ প্ৰতিহত কৰিব পৰা যায়, তাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জিলাসমূহৰ উপায়ুক্তসকলক সামূহিক নিৰীক্ষণ ব্যৱস্থা বলৱৎ কৰাৰ বাবে নিৰ্দেশ দিয়ে।

আজি ভিডিঅ' কনফাৰেন্সযোগে জিলা উপায়ুক্ত, আৰক্ষী অধীক্ষকসকলৰ সৈতে ৰাজ্যখনৰ ক'ভিড পৰিস্থিতি পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে গ্ৰামাঞ্চলত ক'ভিডৰ সংক্ৰমণ ৰোধ কৰাৰ দিশত এক ঐক্যৱদ্ধ প্ৰচেষ্টা চলাব লাগিব। ইয়াৰ পৰিপ্ৰেক্ষিতত জিলা উপায়ুক্তসকলে গ্ৰামাঞ্চলত অতিমাৰীৰ সংক্ৰমণ ৰোধ কৰাৰ দিশত এক সামূহিক নিৰীক্ষণ ব্যৱস্থা কাৰ্যক্ষম কৰিব লাগিব বুলিও তেওঁ কয়। প্ৰায়বোৰ জিলাতে ক'ভিড পজিটিভ ৰোগীৰ সংখ্যা কিছু কমিছে বুলি উল্লেখ কৰি এই সংক্ৰমণ যাতে আৰু অধিক বৃদ্ধি হ'ব নোৱাৰে তাৰ বাবে আৰক্ষী অধীক্ষকসকলক সান্ধ্য আইন তথা আন্তঃজিলা যাতায়াতৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞা কঠোৰভাৱে বলৱৎ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। নিশাৰ কালতো জটিল ক'ভিড ৰোগীৰ চিকিৎসা সেৱা অধিক কাৰ্যক্ষম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্তসকলক হাস্পতালসমূহ গভীৰ নিশা পৰিদৰ্শন কৰাৰ বাবে নিৰ্দেশ দিয়ে। ক'ভিড ভেকচিনেশ্যন চেণ্টাৰসমূহত যাতে সামাজিক দূৰত্ব তথা শৃংখলাৱদ্ধতা অটুট থাকে তাৰ বাবে যথোচিত পদক্ষেপ ল'বলৈও তেওঁ নিৰ্দেশ দিয়াৰ লগতে সেই কেন্দ্ৰসমূহত বহা আৰু খোৱাপানী যোগান ইত্যাদি ব্যৱস্থা কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে। ক'ভিড ভেকচিনেশ্যন চেণ্টাৰসমূহত যাতে বয়োজ্যেষ্ঠ আৰু মাতৃসকলে অগ্ৰাধিকাৰ ভিত্তিত সুবিধা লাভ কৰে তাৰ বাবে পদক্ষেপ ল'বলৈও তেওঁ নিৰ্দেশ দিয়ে। ভেকচিন চেণ্টাৰসমূহ যাতে আদৰ্শ টীকাকৰণ চেণ্টাৰ হিচাপে পৰিগণিত হয় তাৰ বাবে সৰ্বতোপ্ৰকাৰৰ পদক্ষেপ ল'বলৈও তেওঁ নিৰ্দেশ দিয়ে।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

চাহ বাগিচাসমূহত ক'ভিডৰ সংক্ৰমণ বৃদ্ধি হোৱাৰ দিশটোত উদ্বিগ্নতা প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে চাহ বাগিচাসমূহত ক'ভিড সংক্ৰমণ ৰোধৰ দিশত প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণৰ বাবে জিলা উপায়ুক্তসকলক নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত স্থানীয় সংস্থাসমূহক সজাগতা সৃষ্টিৰ কাৰ্যসূচীত ওতপ্ৰোতভাৱে জড়িত কৰোৱাৰ পদক্ষেপ ল'বলৈও তেওঁ নিৰ্দেশ দিয়ে। কণ্টেইনমেণ্ট জ'নসমূহৰ পৰিসীমা সুনিৰ্দিষ্টভাৱে নিৰ্দ্ধাৰণ কৰি ইয়াক কাৰ্যকৰী কৰাৰ পদক্ষেপ ল'বলৈও তেওঁ নিৰ্দেশ দিয়ে। চাহ বাগিচাসমূহৰ কণ্টেইনমেণ্ট জ'নত বসবাস কৰা জনসাধাৰণে প্ৰয়োজনীয় ৰেচন লাভ কৰাটো সুনিশ্চিত কৰাৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে। চাহ বাগিচাৰ হাস্পতালসমূহ চিকিৎসকসকলে যাতে নিয়মীয়াকৈ পৰিদৰ্শন কৰে সেইটো সুনিশ্চিত কৰাৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে। আজিৰ বৈঠকতে মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্তসকলক তেওঁলোকৰ জিলাসমূহত আই চি ইউ বিচনা, অক্সিজেন বিচনা, অক্সিজেন কনচেনট্ৰেট'ৰ, ক'ভিড কেয়াৰ চেণ্টাৰৰ সংখ্যা বৃদ্ধি কৰাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। ক'ভিড ৰোগী চিনাক্তকৰণৰ বাবে আৰ টি পি চি আৰ পৰীক্ষাৰ সংখ্যা বৃদ্ধি কৰাৰ বাবেও তেওঁ জিলা উপায়ুক্তসকলক নিৰ্দেশ দিয়ে। ৰে'লৱে, বেংক, এল পি জি বিতৰণ নেটৱৰ্ককে ধৰি সান্ধ্য আইনৰ আওতাৰ পৰা ৰেহাইপ্ৰাপ্ত আন খণ্ডসমূহক অগ্ৰাধিকাৰৰ ভিত্তিত ক'ভিড টীকাকৰণৰ সুবিধা প্ৰদানৰ বাবে আগশাৰীৰ কৰ্মী হিচাপে অন্তৰ্ভূক্ত কৰাৰ পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে মুখ্য সচিবক নিৰ্দেশ প্ৰদান কৰে। হোম আইচ'লেশ্যনত থাকিবলৈ ইচ্ছা প্ৰকাশ কৰা ক'ভিড পজিটিভ ব্যক্তিক পৰীক্ষা কেন্দ্ৰৰ পৰা সংশ্লিষ্ট গৃহলৈ যোৱাৰ এক ব্যৱস্থাপনা সৃষ্টি কৰাৰ বাবেও উপায়ুক্তসকলক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে উপায়ুক্ত, আৰক্ষী অধীক্ষক, স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালকসকলৰ সৈতে মুখ্যমন্ত্ৰীয়ে পৰ্যালোচনা কৰাৰ সময়ত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা, মুখ্য সচিব জিষ্ণু বৰুৱা, আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ প্ৰধান সচিব অনুৰাগ গোৱেলৰ উপৰি শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**২৩/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in